মোবাইল ফ্ৰেইণ্ডলি
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

WEDNESDAY, MARCH 20, 2024 www.newsnextone.comৰ অনলাইন দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৮২ Guwahati, Assam ।। মূল্যঃ এটকা

## বিষাক্ত বতাহ! 'মুখা' নিপিন্ধাকৈ উশাহ ল'বলৈকো ভয়...

# প্ৰদূষণত গুৱাহাটীৰ স্থান বিশ্বৰ ভিতৰতে দ্বিতীয়



ই-সংবাদ, ১৯ মাৰ্চঃ সাৱধান হ'বৰ হ'ল গুৱাহাটী মহানগৰবাসী। ক্ৰমাৎ বিষাক্ত হৈ পৰিছে গুৱাহাটীৰ আকাশ-বতাহ নিৰ্বাচনৰ ধামখুমীয়াৰ মাজতে আপোন গুৱাহাটী মহানগৰখনিক লৈ প্ৰকাশ পাইছে এক ভয়ংকৰ খবৰ ক্ৰমে বিষাক্ত হৈ পৰা গুৱাহাটীখনত এতিয়া যন্ত্ৰণাগ্ৰস্ত হোৱা দিশে মহানগৰবাসীৰ জীৱন ছুইজাৰলেণ্ডৰ বায়ু গুণমান নিৰীক্ষণ সংস্থা শেষাংশ ২ পৃষ্ঠাত

## বিহাৰত এনডিএত ভাঙোন, কেন্দ্ৰীয় মন্ত্ৰী পদ এৰিলে পৰসে



**পাটনা, ১৯ মাৰ্চঃ** সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিহাৰত ভতিজাকৰ সৈতে বিজেপিৰ আসনৰ বুজাবুজি সম্পন্ন হোৱাৰ শেষাংশ ২ পৃষ্ঠাত

## ছত্তীশগড়ত সংঘৰ্ষত নিহত ৪ মাওবাদী

### প্ৰচুৰ অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ

**ৰায়পুৰ, ১৯ মাৰ্চঃ** ছত্তীশগড়ৰ গাড়চিৰৌলীত মাওবাদীৰ বিৰুদ্ধে বিশেষ সফলতা লাভ কৰিবলৈ সক্ষম হয় চিআৰপিএফ শেষাংশ ৪ পৃষ্ঠাত



## ত্ৰিপুৰা-অসমক কিছু সকাহ, উত্তৰ-পূৰ্বৰ আবেদনক লৈ হ'ব সুকীয়া শুনানি

### ৯ এপ্ৰিলত পুনৰ শুনানিৰ দিন ধাৰ্য

**ই-সংবাদ, ১৯ মাৰ্চঃ** লোকসভা নিৰ্বাচনৰ পূৰ্বে কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰা নাগৰিকত্ব সংশোধনী আইনৰ বিধি-নিয়মাৱলীক লৈ পুনৰ এবাৰ সৰৱ হৈ পৰিছে অসমৰ জাতীয় দল-সংগঠন। 'কা'ৰ বিৰুদ্ধে ৰাজ্যৰ ৰাজপথত পুনৰ এবাৰ প্ৰতিবাদ গুঞ্জৰিত হৈছে। একে সময়তে অসমীয়া জাতিটোক ধ্বংসৰ গৰাহলৈ শেষাংশ ৩ পৃষ্ঠাত

## সাহস নাই কংগ্ৰেছীৰ!

**ই-সংবাদ, ১৯ মাৰ্চঃ** কংগ্ৰেছক ভোট দি লাভ নাই। কংগ্ৰেছৰ পৰা জয়ী হৈ আকৌ বিজেপিত আহি যাব। এই কথা বাৰে বাৰে ক'বলৈ ধৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। এই কথাকে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পুনৰ দোহাৰি মন্তব্য দিয়াত ৰাজ্যত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সোমবাৰে বৰাক শেষাংশ ৪ পৃষ্ঠাত

## ভুৱা এনকাউণ্টাৰ গোচৰত এনকাউণ্টাৰ স্পেচিয়েলিষ্ট প্ৰদীপ শৰ্মাক যাৱজ্জীৱন কাৰাদণ্ড

**মুম্বাই, ১৯ মাৰ্চঃ** ভুৱা এনকাউণ্টাৰ গোচৰত যাৱজ্জীৱন কাৰদণ্ডৰে দণ্ডিত হ'ল মুম্বাইৰ প্ৰাক্তন এনকাউণ্টাৰ স্পেচিয়েলিষ্ট প্ৰদীপ ৰামেশ্বৰ শৰ্মা। ২০০৬ চনৰ নৰেশ্বৰত মাহত মুম্বাইৰ নানা নানী পাৰ্কত সংঘটিত কৰা ৰামনাৰায়ণ গুপ্তা ওৰফে



লখন ভাইয়াৰ ভুৱা এনকাউণ্টাৰ গোচৰত আজি উচ্চ ন্যায়ালয়ে দোষী সাব্যস্ত কৰে প্ৰদীপ শৰ্মাক। উল্লেখ্য যে, ইয়াৰ পূৰ্বে এই গোচৰত এনকাউণ্টাৰ স্পেচিয়েলিষ্ট প্ৰদীপ শৰ্মাক দোষমুক্ত কৰিছিল নিম্ন আদালতে। কিন্তু আদালতৰ শেষাংশ ৩ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰদূষণত গুৱাহাটীৰ স্থান

আইকিউএয়াৰে প্ৰকাশ কৰা এক প্ৰতিবেদনত গুৱাহাটীক বিশ্বৰ দ্বিতীয় প্ৰদূষিত চহৰৰ তালিকা হিচাপে চিহ্নিত কৰা হৈছে৷ আইকিউএয়াৰৰ প্ৰতিবেদন অনুসৰি, ২০২২ৰ পৰা ২০২৩ চনৰ ভিতৰত গুৱাহাটীৰ পিএম ২.৫ ঘনত্ব ৫১ৰ পৰা ১০৫.৪ মাইক্ৰ'গ্ৰাম প্ৰতি ঘন মিটাৰলৈ বৃদ্ধি পাইছে৷ তথ্য মতে, ৰাজধানী চহৰখনত দুগুণ বৃদ্ধি পাইছে বায়ু প্ৰদূষণৰ মাত্ৰা। উত্তৰ-পূবৰ মুখ্য দ্বাৰস্বৰূপ গুৱাহাটীত নিৰন্তৰ পৰিৱেশ তথা বায়ু প্ৰদূষণ হ'ব ধৰিছে৷ প্ৰদূষণ নিৰ্গমন নিয়ন্ত্ৰণ কৰিবলৈ উন্নত বায়ুৰ মান নিৰীক্ষণ আৰু সক্ৰিয় পদক্ষেপৰ প্ৰয়োজনীয়তা আহি পৰিছে৷ আশংকা অনুসৰি, অতি শীঘ্ৰে গুৱাহাটীবাসীৰ জনস্বাস্থ্য আৰু অৰ্থনীতিৰ প্ৰতি ভাবুকি সৃষ্টি কৰিব প্ৰদূষণে৷ উল্লেখ্য যে, প্ৰাচীন কালৰ পৰাই প্ৰকৃতি তথা পৰিৱেশ সংৰক্ষক ৰূপে জনাজাত হৈ আহিছে গুৱাহাটী চহৰ৷ কিন্তু এতিয়া চহৰখনৰ বায়ু প্ৰদূষিত হোৱাটো চিন্তাৰ বিষয় হৈ পৰিছে৷ বিভিন্ন জনৰ দাবী অনুসৰি, অবৈজ্ঞানিক পদ্ধতিত স্থাপন কৰা নিয়ন্ত্ৰিত উদ্যোগ, পাহাৰ ধ্বংস, বনভূমি ধ্বংস, কৌটিকলীয়া পৰিবহন ব্যৱস্থা, প্ৰদূষণ নিয়ন্ত্ৰণ ব্যৱস্থাৰ অভাৱতে প্ৰদূষিত হ'ব ধৰিছে মহানগৰীৰ বায়ু৷ জধে-মধে ব্যাপক হাৰত নিৰ্মাণে প্ৰদূষণৰ অন্যতম কাৰক আৰু জনস্বাস্থ্যৰ প্ৰতি ভাবুকি হৈ পৰিছে৷ ইপিনে চুইছ বায়ু গুণমান নিৰীক্ষণ সংস্থা আইকিউএয়াৰে প্ৰকাশ কৰা এক প্ৰতিবেদন অনুসৰি বাংলাদেশ আৰু পাকিস্তানৰ পিছতে ২০২৩ চনত ভাৰতক তৃতীয় সৰ্বাধিক প্ৰদূষিত দেশ হিচাপে চিহ্নিত কৰা হৈছে। প্ৰতিবেদনৰ বিশ্বৰ শীৰ্ষ ৫০ খন আটাইতকৈ প্ৰদূষিত চহৰৰ তালিকাত ৪২ খন চহৰ ভাৰতৰ। বিহাৰৰ বেগুচৰাই হৈছে আটাইতকৈ প্ৰদূষিত মহানগৰীয় এলেকা৷ তাৰ পিছতে আছে গুৱাহাটী আৰু দিল্লী। বিহাৰত বেগুচৰাইত যোৱা বছৰ গড় পিএম ২.৫ ঘনত্ব আছিল ১১৮.৯ মাইক্ৰ'গ্ৰাম প্ৰতি ঘন মিটাৰ৷ বায়ু প্ৰদূষণৰ সৈতে ধাৰাবাহিকভাৱে সংগ্ৰাম কৰি থকা দিল্লীত একে সময়তে পিএম ২.৫ৰ ঘনত্ব ৮৯.১ ৰ পৰা ৯২.৭ মাইক্ৰ'গ্ৰাম প্ৰতি ঘন মিটাৰলৈ বৃদ্ধি পাইছে। বিশ্ব তালিকাৰ শীৰ্ষ ৫০ খন আটাইতকৈ প্ৰদূষিত চহৰত স্থান পোৱা অন্য ভাৰতীয় চহৰসমূহ হৈছে গ্ৰেটাৰ নয়ডা (১১), মুজাফৰনগৰ (১৬), গুৰগাঁও (১৭), আৰাহ (১৮), দাদৰী (১৯), পাটনা (২০), ফৰিদাবাদ (২৫), নয়ডা (২৬), মীৰাট (২৮), গাজিয়াবাদ (৩৫) আৰু ৰোহতক (৪৭)। ৱৰ্ল্ড এয়াৰ কোৱালিটি ৰিপ'ৰ্ট-২০২৩ অনুসৰি ভাৰতত গড় বাৰ্ষিক পিএম ২.৫ ঘনত্ব ৫৪.৪ মাইক্ৰ'গ্ৰাম প্ৰতি ঘন মিটাৰ৷ বাংলাদেশ প্ৰতি ঘন মিটাৰত ৭৯.৯ মাইক্ৰ'গ্ৰাম আৰু পাকিস্তানৰ প্ৰতি ঘন মিটাৰত ৭৩.৭ মাইক্ৰ'গ্ৰাম৷ ২০১৩ চনত ১২৩ খন দেশৰ ভিতৰত ভাৰত তৃতীয় আটাইতকৈ বেয়া বায়ুগুণ ভাৰতৰ। ২০২২ চনত ভাৰতক অষ্টম সৰ্বাধিক প্ৰদূষিত দেশ হিচাপে স্থান দিয়া হৈছিল আৰু তেতিয়া গড় পিএম ২.৫, ঘনত্ব আছিল ৫৩.৩ মাইক্ৰ'গ্ৰাম প্ৰতি ঘন মিটাৰ। আইকিউএয়াৰৰ মতে, ১৩৪ খন দেশৰ ৭,৮১২ টা স্থানত ৩০ হাজাৰতকৈও অধিক বায়ু মানদণ্ড নিৰীক্ষণ কেন্দ্ৰৰ পৰা সংগ্ৰহ কৰা হৈছে এই তথ্য। ২০২৩ চনত বিশ্বৰ শীৰ্ষ ৫ খন আটাইতকৈ প্ৰদূষিত দেশত আছে বাংলাদেশ, পাকিস্তান, ভাৰত, তাজিকিস্তান আৰু বুৰ্কিনা ফাছো। আনহাতে, চেণ্টাৰ ফৰ ৰিচাৰ্জ অন এনাৰ্জী এণ্ড ক্লিন এয়াৰ নামৰ সংস্থাৰ এক প্ৰতিবেদনত গুৱাহাটীৰ সমীপৱৰ্তী মেঘালয়ৰ বৰ্ণিহাটক ভাৰতৰ আটাইতকৈ প্ৰদূষিত চহৰ হিচাপে চিনাক্ত কৰিছিল৷ অসম-মেঘালয় সীমান্তৰ বৰ্ণিহাটক ভাৰতৰ আটাইতকৈ প্ৰদূষিত চহৰ হিচাপে চিনাক্ত কৰাৰ পাছতে এইবাৰ গুৱাহাটীক বিশ্বৰ ভিতৰতে প্ৰদূষিত চহৰ হিচাপে চিনাক্ত কৰা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিহাৰত এনডিএত ভাঙোন

পিছতে কেন্দ্ৰীয় মন্ত্ৰী পদ ত্যাগ কৰাৰ লগতে এন ডি এ মিত্ৰজোঁটৰ পৰা সমৰ্থন প্ৰত্যাহাৰ কৰিলে অসন্তুষ্ট খুৰাকে। উল্লেখ্য যে, শেহতীয়াকৈ বিহাৰত চিৰাগ পাছৱানৰ দল লোক জনশক্তি পাৰ্টিৰ সৈতে মিত্ৰতা সম্পন্ন কৰি ৫ খন আসন এৰি দিছিল বিজেপিয়ে। কিন্তু এই বুজা-পৰাত বিজেপিৰ পৰা অন্যায়ৰ সন্মুখীন হোৱাৰ অভিযোগ তুলি আজি কেন্দ্ৰীয় মন্ত্ৰী পদ ত্যাগ কৰে খুৰাক পশুপতি পৰসে। একে সময়তে তেওঁৰ দল আৰ এল জে পিয়ে এন ডি এৰ সৈতে মিত্ৰতা প্ৰত্যাহাৰ কৰা বুলিও ঘোষণা কৰে। এই সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি পশুপতি পৰসে কয়, "এন ডি এ চুক্তি ঘোষণা কৰা হৈছে। মই প্ৰধানমন্ত্ৰীৰ প্ৰতি কৃতজ্ঞ। কিন্তু মোৰ দল আৰু মই অন্যায়ৰ সন্মুখীন হ'লোঁ। গতিকে মই মন্ত্ৰী পদৰ পৰা পদত্যাগ কৰিছোঁ।" মন কৰিবলগীয়া যে, চিৰাগ পাছৱানৰ পিতৃ আৰু পশুপতি পৰসৰ ভাতৃ ৰামবিলাস পাছৱানৰ বিয়োগৰ পিছতে দুটা ফৈদত বিভক্ত হৈ পৰিছিল ৰাষ্ট্ৰীয় লোক জনশক্তি পাৰ্টি। ইয়াৰে এটা ফৈদৰ সভাপতি হৈছিল পশুপতি পৰস আৰু আনটো গৈছিল চিৰাগ পাছৱানৰ হাতলৈ। শেহতীয়াকৈ লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিহাৰত চিৰাগ পাছৱানৰ সৈতে মিত্ৰতা সম্পন্ন কৰি হাজীপুৰ আসনকে ধৰি ৫ খন আসন এৰি দিয়ে বিজেপিয়ে। কিন্তু বিগত নিৰ্বাচনত এই হাজীপুৰ আসনৰ পৰাই প্ৰতিদ্বন্দ্বিতা কৰি জয়লাভ কৰিছিল পশুপতি পৰসে।

পৰৱৰ্তী সময়ত এনডিএ মিত্ৰজোঁটৰ অংশ হৈ তেওঁ লাভ কৰিছিল কেন্দ্ৰীয় মন্ত্ৰীপদো। কিন্তু শেহতীয়া আসনৰ বুজাবুজিত তেওঁৰ দলক এখনো আসন প্ৰদান নকৰাক লৈ এতিয়া ক্ষুণ্ণ হৈ পৰিছে পৰস। এনে কাৰণতে আজি কেন্দ্ৰীয় মন্ত্ৰীপদ ত্যাগ কৰি তেওঁ কয়, 'মই এতিয়া যিকোনো সমষ্টিতে প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলৈ মুক্ত।' আগন্তুক নিৰ্বাচনত বিহাৰত তেওঁৰ দলে প্ৰাৰ্থী প্ৰক্ষেপ কৰিব বুলিও ঘোষণা কৰে পশুপতি পৰসে। একে সময়তে বিজেপিয়ে ভতিজাক চিৰাগ পাছৱানক অৰ্পণ কৰা হাজীপুৰ আসনতো তেওঁৰ দলে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব বুলি স্পষ্ট কৰি দিয়ে সদ্য পদত্যাগী কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ত্ৰিপুৰা-অসমক কিছু সকাহ

ঠেলি দিয়া আইনখনৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ৰ দাৰস্থ হয় সদৌ অসম ছাত্ৰ সন্থা আৰু অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ। তদুপৰি কেৰালা, ত্ৰিপুৰাকে ধৰি আন আন ৰাজ্যৰ পৰাও সংশোধিত নাগৰিকত্ব আইনখনৰ বিধি-নিয়মাৱলীৰ স্থগিতাদেশ বিচাৰি আবেদন দাখিল কৰা হয় উচ্চতম ন্যায়ালয়ত। আজি দেশৰ শীৰ্ষ আদালতে এনে আবেদনসমূহৰ শুনানি গ্ৰহণ কৰি 'কা'ৰ ওপৰত স্থগিতাদেশ জাৰি কৰিবলৈ অস্বীকাৰ কৰে যদিও কেন্দ্ৰীয় চৰকাৰৰ পৰা উত্তৰ বিচাৰি তিনি সপ্তাহৰ সময় বান্ধি দিয়ে। আদালতে ৮ এপ্ৰিলৰ ভিতৰত 'কা' সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰক উত্তৰ দাখিল কৰিবলৈ কয়। লগতে ৯ এপ্ৰিলত 'কা'ৰ বিৰুদ্ধে দাখিল কৰা আবেদনৰ পৰৱৰ্তী শুনানি গ্ৰহণ কৰিব বুলি কয়। আজি শুনানিকালত উচ্চতম ন্যায়ালয়ত সদৌ অসম ছাত্ৰ সন্থা আৰু অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নেতৃত্বও উপস্থিত থাকে। সদৌ অসম ছাত্ৰ সন্থা আৰু অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ অধিবক্তাই কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰা 'কা'ৰ বিধিৰ স্থগিতাদেশ বিচাৰে যদিও বিচাৰপীঠে সেয়া অস্বীকাৰ কৰে। কিন্তু অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ আবেদনসমূহ একত্ৰিত কৰিবলৈ বিশেষ বিষয়া নিযুক্তি দিয়ে উচ্চতম ন্যায়ালয়ে। শুনানিকালত অসম, ত্ৰিপুৰা তথা উত্তৰ-পূৰ্বাঞ্চলৰ আবেদনসমূহক লৈ সুকীয়াকৈ শুনানি অনুষ্ঠিত কৰাৰ কথা দোহাৰে বিচাৰপীঠে। ইয়াৰে ভিতৰত উত্তৰ-পূৰ্বাঞ্চলৰ আবেদন আছে কমেও দহখন। আজিৰ শুনানিৰ সময়ত পূৰ্বৰ দৰেই অসম, ত্ৰিপুৰা আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ক্ষেত্ৰত বিষয়টো সুকীয়াকৈ শুনানি গ্ৰহণ কৰাৰ কথা পুনৰ দোহাৰে বিচাৰপীঠে। উল্লেখ্য যে, 'কা'ৰ সন্দৰ্ভত উচ্চতম ন্যায়ালয়ে সকলো আবেদনক সংযুক্ত কৰিবৰ বাবে পূৰ্বতে দুগৰাকী ন'ডেল বিষয়া নিয়োগ কৰিছিল। আজি পুনৰ অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ আবেদনসমূহক সংযুক্ত কৰিবৰ বাবে সুকীয়াকৈ দুগৰাকী ন'ডেল বিষয়া নিয়োগ কৰিছে। অধিবক্তা অংকিত যাদৱ আৰু কানু আগৰৱালক এই দায়িত্ব অৰ্পণ কৰে শীৰ্ষ আদালতে। অধিবক্তা অংকিত যাদৱ 'কা'ৰ বিৰুদ্ধে সদৌ অসম ছাত্ৰ সন্থাৰ গোচৰৰ নেতৃত্ব দিয়ে। আজি আছুৰ মুখ্য উপদেষ্টা ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, সভাপতি উৎপল শৰ্মা আৰু সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱা, জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি পলাশ চাংমাই, সাধাৰণ সম্পাদক ৰাতুল বৰগোহাঁই উপস্থিত থাকে। আছু নেতৃত্বই আদালতৰ প্ৰতি ভৰষা ব্যক্ত কৰে। আছুৰ নেতৃত্বই কয় যে আমি ৰাজপথৰ আন্দোলনৰ সমানে আইনী যুঁজ কৰি যামা ইপিনে যুৱ-ছাত্ৰ পৰিষদৰ নেতৃত্বই কয় যে অসমে কোনো কাৰণত নতুনকৈ বিদেশীৰ বোজা জাপি দিলে মানি নলয়। আমি দুয়োফালে যুঁজিম। এফালে আমি প্ৰতিবাদ কৰিম, আনফালে আমি আইনী যুঁজ দি যামা ৰাজপথ আৰু আইনী যুঁজত অসমৰ জনসাধাৰণে ন্যায় লাভ কৰিব বুলি কয় আছু আৰু যুৱ-ছাত্ৰ পৰিষদে। উল্লেখ্য যে, অসমৰ লগতে দেশৰ প্ৰায় ২০০ দল-সংগঠনে কেন্দ্ৰীয় চৰকাৰে বলৱৎ কৰা 'কা'ৰ বিধি স্থগিতাদেশ বিচাৰি উচ্চতম ন্যায়ালয়ত আৰ্জি দিছিল। অসমৰ আছু, জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, কংগ্ৰেছকে ধৰি কেইবাটাও দল-সংগঠনে উচ্চতম ন্যায়ালয়ত আৰ্জি দিছিল। আবেদনকাৰী হিচাপে আছে ইণ্ডিয়ান ইউনিয়ন মুছলিম লীগো। জ্যেষ্ঠ অধিবক্তা কপিল চিব্বালে মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ নেতৃত্বৰ বিচাৰপীঠত আইইউএমএলে দাখিল কৰা আবেদনৰ কথা উল্লেখ কৰি বিষয়টোৰ জৰুৰী বুলি কৈ শীঘ্ৰে শুনানি বিচাৰিছিল। কপিল চিব্বাল আৰু আন আন আবেদনৰ ভিত্তিত আজি শুনানি গ্ৰহণ কৰে মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ নেতৃত্বৰ বিচাৰপীঠে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ভুৱা এনকাউণ্টাৰ গোচৰত

এই ৰায়ক প্ৰত্যাহ্বান জনাই দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি আজি উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ ৰেৱতী মোহিতে ডেৰে আৰু ন্যায়াধীশ গৌৰী গডছেৰ সংমণ্ডল বিচাৰপীঠে তেওঁক দোষী সাব্যস্ত কৰে। একে সময়তে ভুক্তভোগীক অপহৰণ কৰাৰ গোচৰত আন এজন এনকাউণ্টাৰ স্পেচিয়েলিষ্ট প্ৰদীপ সূৰ্যবংশীসহ আন ১৪ জনকো যাৱজ্জীৱন কাৰাদণ্ডৰ শাস্তি বিহে আদালতে। প্ৰণিধানযোগ্য যে, ২০০৬ চনৰ ১১ নৱেম্বৰত মুম্বাই আৰক্ষীৰ এটা দলে নৱী মুম্বাইৰ বশীৰ পৰা উঠাই আনি ভাৰ্চোভাৰ নানা নানী পাৰ্কত গুলীয়াই হত্যা কৰিছিল ৰামনাৰায়ণ গুপ্তা ওৰফে লখন ভাইয়াক। লখন ভাইয়া মুম্বাইৰ ডন চোটা ৰাজন গেঙৰ সদস্য বুলি দাবী কৰিছিল আৰক্ষীয়ে। ইফালে ভুক্তভোগীৰ বিৰুদ্ধে আৰক্ষীয়ে হত্যা, ধনদাবী আৰু হত্যাৰ অপচেষ্টাৰো অভিযোগ উত্থাপন কৰিছিল। আনহাতে ভুক্তভোগীৰ পৰিয়ালৰ দাবীত এই এনকাউণ্টাৰৰ তদন্তৰ বাবে গঠন কৰা এছ আই টিয়ে ২০১০ চনৰ ৩ এপ্ৰিলত ২২ জন অভিযুক্তৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰি কয় যে প্ৰদীপ শৰ্মাৰ প্ৰাক্তন সহযোগী ৰিয়েল এষ্টেট এজেণ্ট জনাৰ্দন ভাঙৰ ভুক্তভোগী লখান ভাইয়াৰ সৈতে কিছুমান যৌথ ভূমি লেনদেনক লৈ বিবাদ চলিছিল। তাৰ পিছতে প্ৰতিদ্বন্দ্বীক নিৰ্মূল কৰিবলৈ পৰিকল্পনা ৰচনা কৰা হয় আৰু আৰক্ষীয়ে লখন ভাইয়াক ৰছীৰে বান্ধি এনকাউণ্টাৰটো সংঘটিত কৰে। ইফালে, ২০১৩ চনৰ ১২ জুলাইত মুম্বাইৰ অধিবেশন আদালতে মূল অভিযুক্ত শৰ্মাক দোষমুক্ত কৰি প্ৰদীপ সূৰ্যবংশীকে ধৰি একাংশ আৰক্ষী জোৱানক দোষী সাব্যস্ত কৰি যাৱজ্জীৱন কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰে। কিন্তু নিম্ন আদালতৰ এই ৰায়ক প্ৰত্যাহ্বান জনাই ভুক্তভোগীৰ পৰিয়াল পুনৰ উচ্চ ন্যায়ালয়ৰ দাৰস্থ হয়। ফলত আজি আদলতে গোচৰৰ সৱিশেষ বিশ্লেষণ কৰি শৰ্মাক দোষী সাব্যস্ত কৰি ৩ সপ্তাহৰ ভিতৰত আত্মসমৰ্পণৰ নিৰ্দেশ দিয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ছত্তীশগড়ত সংঘৰ্ষত

আৰু আৰক্ষী। সোমবাৰে বিয়লি গাড়চিৰৌলীত শিৱিৰ পতা মাওবাদীৰ বিষয়ে গোপন খবৰ লাভ কৰি চিআৰপিএফ আৰু আৰক্ষীয়ে চলোৱা যুটীয়া অভিযানৰ সময়ত নিহত হয় চাৰিজন মাওবাদী কমাণ্ডাৰ। জানিব পৰা মতে, নিহত মাওবাদী কেইজনৰ বিৰুদ্ধে সৰ্বমুঠ ৩৬ লাখ টকা পুৰস্কাৰ ঘোষণা কৰি ৰাখিছিল মহাৰাষ্ট্ৰ আৰক্ষীয়ে। আৰক্ষী সূত্ৰই সদৰী কৰা মতে, সোমবাৰে বিয়লি ছত্তীশগড়-মহাৰাষ্ট্ৰ সীমান্তৰ সমীপত তেলেংগানা ৰাজ্যিক সমিতিৰ একাংশ সদস্যই শিৱিৰ পতাৰ গোপন খবৰ লাভ কৰে আৰক্ষীয়ে। ইয়াৰ পিছতে অঞ্চলটোত চিআৰপিএফ আৰু আৰক্ষীয়ে যৌথ অভিযান চলায়। এই অভিযানৰ সময়ত দুয়োপক্ষৰ মাজত তুমুল সংঘৰ্ষ হয় আৰু যাৰ পৰিণামস্বৰূপে ৪ জন মাওবাদী কমাণ্ডাৰ নিহত হয়। মাওবাদীৰ শিবিৰৰ পৰা বহু সংখ্যক অস্ত্ৰ-শস্ত্ৰ, বিস্ফোৰক, এটা এ কে-৪৭, এটা কাৰ্বাইন আৰু দুটা দেশত নিৰ্মিত পিষ্টল উদ্ধাৰ কৰা হৈছে। আৰক্ষীৰ সূত্ৰ অনুসৰি, নিহত কমাণ্ডাৰসকলৰ ভিতৰত আছে ডিভিচিএম ভাৰ্গেজ। তেওঁ মংগী ইন্দ্ৰৱেলী আঞ্চলিক সমিতি আৰু কুমিৰাম ভীম মানচেৰিয়েল সংমণ্ডল সমিতিৰ সম্পাদক আছিল। নিহত আন মাওবাদী কেইজন হৈছে ডিভিচিএম মাগাটু, কুৰছাং ৰাজু আৰু কুৰিমেটা ভেংকটেশ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সাহস নাই কংগ্ৰেছীৰ!

উপত্যকাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰচাৰ চলাবলৈ গৈ সংবাদমাধ্যমৰ সৈতে মুখামুখি হৈ পুনৰ কংগ্ৰেছক ভোট লাভ নাই, জয়ী হ'লে আকৌ বিজেপিলৈ আহি যাব বুলি মন্তব্য প্ৰদান কৰে৷ এগৰাকী মুখ্যমন্ত্ৰীৰ এনে মন্তব্যক সহজে ল'ব পৰা নাই ৰাজ্যৰ সচেতন লোকে৷ নিৰ্বাচনৰ মাজতে যদি মুখ্যমন্ত্ৰী এগৰাকীয়ে এনে মন্তব্য কৰে তেন্তে গণতান্ত্ৰিক ব্যৱস্থাক ভেঙুচালি কৰাৰ দৰে হয় বুলি বহু লোকে মন্তব্য প্ৰদান কৰা দেখা গৈছে৷ আনহাতে, শাসকীয় পক্ষৰ এনে আচৰণৰ দ্বাৰা নিৰ্বাচনী ব্যৱস্থা কেনেকৈ স্বচ্ছ হ'ব পাৰে বুলি প্ৰশ্ন কৰিছে বহু লোকে৷ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছক উপহাস কৰি পুৰণি দলটোক ভোট দি লাভ নাই, কিয়নো জিকি বিজেপিত যোগদান কৰিব বুলি কোৱাৰ পাছতো কংগ্ৰেছৰ নেতাই মুখ্যমন্ত্ৰীক প্ৰত্যুত্তৰ দিবলৈ সৎ সাহস দেখুৱাব পৰা নাই৷ প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, বিৰোধী দলপতি দেবব্ৰত শইকীয়া, গৌৰৱ গগৈয়ে মুখ্যমন্ত্ৰীক প্ৰত্যুতৰ দিয়া পৰিলক্ষিত হোৱা নাই৷ মুখ্য বিৰোধী দল এটাই যদি নিৰ্বাচনৰ মাজতে মুখ্যমন্ত্ৰীয়ে এনেদৰে কৰা মন্তব্যক উভতি ধৰি প্ৰত্যুত্তৰ নিদিয়ে তেতিয়া কেতিয়া প্ৰত্যুত্তৰ দিব বুলি ৰাজ্যত চৰ্চা হৈছে৷ নে মুখ্যমন্ত্ৰীক কংগ্ৰেছ সন্দৰ্ভত সকলো কথা ক'বলৈ অনুমতি দি থৈছে কোনো কংগ্ৰেছীয়ে৷ এই সময়ত কংগ্ৰেছৰ চাল-চলনত তেনে এক পৰিৱেশেই দেখা গৈছে৷ কৰিমগঞ্জ জিলা বিজেপি কাৰ্যালয়ত দলীয় কৰ্মীসভাৰ ভাষণত মুখ্যমন্ত্ৰী শৰ্মাই কৈছিল যে কোনো প্ৰাৰ্থীয়ে কংগ্ৰেছত থাকিব নিবিচাৰে আৰু বিজেপিত যোগদান কৰিব বিচাৰে। প্ৰশ্নটো হ'ল কংগ্ৰেছৰ প্ৰাৰ্থী কংগ্ৰেছত থাকিব নে নাই। মই এজনৰ বাহিৰে সকলো কংগ্ৰেছ প্ৰাৰ্থীক বিজেপিলৈ আনিব পাৰো, তেন্তে কংগ্ৰেছক ভোট দিয়াৰ লাভ কি হ'ব?




ৰামনাথ গোয়েংকা এক্সেলেন্স বঁটা প্ৰদান অনুষ্ঠানৰ এটি মুহূৰ্ত

# লাইনচ্যুত চলন্ত মালবাহী ৰে'ল

**ই-সংবাদ, ১৯মাৰ্চঃ** ৰাজ্যত পুনৰ সংঘটিত হৈছে ৰে'ল দুৰ্ঘটনা। মঙলবাৰে মালবাহী ৰে'লৰ ডবা লাইনচ্যুত হোৱাত হাহাকাৰ লাগে বৰপেটা ৰোডত। চলন্ত মালবাহী ৰে'লত থকা কোনো কৰ্মচাৰী হতাহত হোৱা নাই যদিও কঢ়িয়াই অনা সামগ্ৰীৰ ক্ষতি হোৱা বুলি জানিব পৰা গৈছে। উজনিমুৱা মালবাহী ৰে'লখনে ৰে'লৰেৰ সামগ্ৰী কঢ়িয়াই আনিছিল। গতি কম আছিল যদিও যান্ত্ৰিক বিজুতিৰ বাবে লাইনচ্যুত হৈ বাগৰি পৰে কেইবাটাও ডবা। ডবাসমূহ লাইনৰ পৰা নামি যোৱাৰ খবৰ লাভৰ পাছতে ৰে'লৰে আৰক্ষী আৰু ৰে'ল বিভাগৰ বৃহৎ দল উপস্থিত হৈ উদ্ধাৰ অভিযান চলায়। ৰে'ল বিভাগৰ তৎপৰতাত ডবাসমূহ মেৰামতি কৰি পুনৰ লাইনত উঠোৱাৰ প্ৰয়াস কৰা বুলি জানিব পৰা গৈছে। ৰে'লখনৰ গতি অতি কম হোৱাৰ বাবে ক্ষয়-ক্ষতিৰ পৰা ৰক্ষা পৰা বুলি জানিব পৰা গৈছে।

# মছজিদ মাদ্ৰাছাত বিজেপিৰ প্ৰাৰ্থী

**ই-সংবাদ, লাহৰীঘাট, ১৯ মাৰ্চঃ** নগাঁও লোকসভা সমষ্টিত পানী ঘোলা কৰিছে বিজেপিৰ প্ৰাৰ্থী সুৰেশ বৰাই। সুৰেশ বৰাই সংখ্যালঘু ভোটাৰক লক্ষ্য কৰি লৈ লাহৰীঘাট, বটদ্ৰৱা, ৰূপহীহাট আৰু চামগুৰি সমষ্টিত সক্ৰিয় হৈ পৰিছে। এই সমষ্টিকেইটাত কংগ্ৰেছ দলৰ বিধায়ক থকাৰ পাছতো এতিয়ালৈকে নিৰ্বাচনি ৰণডংকা বজাবলৈ সক্ষম হোৱা নাই কংগ্ৰেছ দলৰ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়ে। বিপৰীতে বিজেপিৰ সুৰেশ বৰাই ব্যাপক হাৰত প্ৰচাৰ আৰম্ভ কৰিছে। কংগ্ৰেছে উত্তৰ পশ্চিম নগাঁৰৰ ধিং ৰোডত অদ্যাপি খুলিব পৰা নাই নিৰ্বাচনী কাৰ্যালয়। একাংশ দালাল সদৃশ লোকক লগত লৈ নগাঁও লোকসভা সমষ্টিৰ সাংসদ তথা কংগ্ৰেছৰ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়ে ধীৰ গতিত প্ৰচাৰ চলাই থকাৰ অভিযোগ উঠিছে। যাৰ বাবে ক্ষোভিত কংগ্ৰেছৰ ন-পুৰণি কৰ্মীসকল। ধিং সমষ্টি ইউডিএফৰ দখলত থকাৰ পাছতো হাত সাবটি বহি থকা নাই শাসকীয় বিজেপি দলৰ প্ৰাৰ্থী সুৰেশ বৰাই। সুৰেশ বৰাই সংখ্যালঘু এলেকাত মছজিদ-মাদ্ৰাছা সোমাই প্ৰচাৰ চলাই গৈছে। ৰমজান মাহৰ সুযোগ লৈ ইফটাৰ পাৰ্টীতো যোগ দিছে। ৬৩ শতাংশ ভোটৰ অংকত বলিয়া হৈছে সুৰেশ বৰা। লাহৰীঘাট ঈদগা মৈদামত এক ৰাজহুৱা ইফটাৰৰ আয়োজন কৰিছে বিজেপিৰ প্ৰাৰ্থীগৰাকীয়ে।

# আকৌ আদালতলৈ যাব লাগিব বাবা ৰামদেৱ

## ভুৱা বিজ্ঞাপন দি বিপদত পতঞ্জলি

**ই-সংবাদ, ১৯মাৰ্চঃ** বিভ্ৰান্তিকৰ বিজ্ঞাপন গোচৰত আদালতে জাৰি কৰা জাননীৰ কোনো উত্তৰ দাখিল নকৰাক লৈ পুনৰ পতঞ্জলি আয়ুৰ্বেদিক ককৰ্থনা উচ্চতম ন্যায়ালয়ৰ। মঙলবাৰে ন্যায়ালয়ে পতঞ্জলি আয়ুৰ্বেদৰ বিভ্ৰান্তিকৰ বিজ্ঞাপন গোচৰত শুনানি গ্ৰহণ কৰি বাবা ৰামদেৱ আৰু আচাৰ্য বালকৃষ্ণক ব্যক্তিগতভাৱে আদালতত হাজিৰ হ'বলৈ নিৰ্দেশ দিয়ে। উল্লেখ্য যে, যোৱা ২৭ ফেব্ৰুৱাৰীত উচ্চতম ন্যায়ালয়ে পতঞ্জলি আয়ুৰ্বেদিক বিভ্ৰান্তিকৰ বিজ্ঞাপনৰ বাবে সমালোচনা কৰি কোম্পানীটোক ৰোগৰ নিৰাময় হিচাপে নিজৰ সামগ্ৰীৰ প্ৰচাৰত নিষেধাজ্ঞা আৰোপ কৰিছিল। আদালতৰ নিৰ্দেশ উলংঘা কৰা আৰু আদালতৰ অৱমাননাৰ অভিযোগত ব্যৱস্থা গ্ৰহণৰ বিষয়ে সকীয়াই দি পতঞ্জলি আয়ুৰ্বেদ আৰু কোম্পানীটোৰ পৰিচালন সঞ্চালক আচাৰ্য বালকৃষ্ণক জাননী জাৰি কৰিছিল উচ্চতম ন্যায়ালয়ে। কিন্তু পতঞ্জলিয়ে আদালতৰ জাননীৰ কোনো সঁহাৰি প্ৰদান নকৰাত আদালতে আজি বাবা ৰামদেৱ আৰু আচাৰ্য বালাকৃষ্ণক আদালতত হাজিৰ হ'বলৈ নিৰ্দেশ দিয়ে। উল্লেখ্য যে, নিজৰ সামগ্ৰীয়ে ৰোগ নিৰাময় কৰে বুলি পতঞ্জলি আয়ুৰ্বেদে প্ৰচাৰ কৰি অহা বিজ্ঞাপন বিভ্ৰান্তিকৰ বুলি দাবী কৰি আদালতত দাখিল কৰা এখন আবেদনৰ শুনানি গ্ৰহণ কৰি ২০২২ চনৰ আগষ্ট মাহত মুখ্য ন্যায়াধীশ ৰমনাৰ নেতৃত্বত উচ্চতম ন্যায়ালয়ৰ বিচাৰপীঠে পতঞ্জলি আয়ুৰ্বেদ লিমিটেডকে ধৰি শীৰ্ষ বিষয়াসকললৈ জাননী জাৰি কৰিছিল। ইয়াৰ পিছতে যোৱা বছৰ নৱেম্বৰ মাহত কোম্পানীটোৱে আদালতক আশ্বাস দিছিল যে এতিয়া এনে কোনো বিবৃতি বা বিজ্ঞাপন দিয়া নহ'ব। কিন্তু তাৰ পিছতো পতঞ্জলিয়ে বাৰম্বাৰ বিভ্ৰান্তিকৰ বিজ্ঞাপনৰ জৰিয়তে জনতাক বিপথে পৰিচালিত কৰাত কঠোৰ হৈছে সৰ্বোচ্চ ন্যায়ালয়।




ককালত টঙালীঃ লোকসভা নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত অসম গণ পৰিষদ আৰু বিজেপিৰ মুখপাত্ৰসকলৰ যৌথ সভা, আমবাৰীত

# বিজ্ঞাপনত ফটো প্ৰকাশ পোৱা জুনু বড়োৱে পোৱা নাই অৰুণোদয় আঁচনি

**ই-সংবাদ, ১৯মাৰ্চঃ** অৰুণোদয় আঁচনিৰ গইনা লৈয়ে নিৰ্বাচনত নামিছে শাসকীয় বিজেপি দল। মাহেকত প্ৰায় ২৬ লাখ মহিলাক ১২০০ টকাকৈ প্ৰদান কৰি আহিছে ৰাজ্য চৰকাৰে। এইসকল হিতাধিকাৰীৰ পৰিয়ালক বিশ্বাসত লৈয়ে বিজেপি দলে ১৩ খন আসনত জিকাৰ দাবী কৰি আহিছে। কিন্তু আচৰিত কথা এয়াই যে অৰুণোদয় আঁচনিৰ প্ৰচাৰৰ বাবে তৈয়াৰ কৰা বিজ্ঞাপনত ফটো ব্যৱহৃত মহিলাগৰাকীয়ে অৰুণোদয়ৰ টকা নাপায়। অৰুণোদয় আঁচনিৰ হিতাধিকাৰী কৰা হোৱা নাই ফটো ব্যৱহৃত মহিলাগৰাকীক। এই সন্দৰ্ভত কেইবাটাও সংবাদ প্ৰতিষ্ঠানত খবৰ প্ৰকাশ পাইছে। অসম চৰকাৰে অৰুণোদয় আঁচনিৰ প্ৰচাৰৰ বাবে প্ৰকাশ কৰা ফটো বিজ্ঞাপনত মহিলাগৰাকীৰ ফটো ব্যৱহাৰ কৰিছে। মহিলাগৰাকীৰ ফটো যে বিজ্ঞাপনত ব্যৱহাৰ কৰিছে সেই কথা অৱগত নহয়। বিজ্ঞাপনৰ কভাৰ ফটো দেখি আঁচৰিত হয় মহিলাগৰাকী। ৰাজ্য চৰকাৰে অৰুণোদয় আঁচনিক লৈ ভোটাৰক আকৰ্ষিত কৰিবলৈ বিজ্ঞাপন প্ৰকাশ কৰিছে। বকো বিধানসভা সমষ্টিৰ বাহজানিৰ বাসিন্দা জুনু বড়োৰ ফটো ব্যৱহাৰ কৰা হৈছে। স্বামী অভয় বড়োৱে সাপ্তাহিক বজাৰসমূহত শাক-পাচলিৰ দোকান দিয়াৰ লগতে সাধাৰণ কাম কৰি ঘৰ চলাই। কিন্তু অভয় বড়ো আৰু জুনু বড়ো চৰকাৰী আঁচনিৰ পৰা বঞ্চিত। জুনু বড়োৱে অৰুণোদয় আঁচনি লাভৰ বাবে কেইবাবাৰো আবেদন কৰিছিল যদিও পোৱা নাই।

## ‘পইচা বিলোৱা, মদৰ দোকান খোলাৰ বাহিৰে চৰকাৰৰ কোনো পলিচি নাই’

# শিক্ষা, জনস্বাস্থ্য উন্নীতকৰণৰ প্ৰতিশ্ৰুতিৰে মাজুলীত গৌৰৱ গগৈ





**ই-সংবাদ, মাজুলী, ১৯ মাৰ্চঃ** যোৰহাট লোকসভা সমষ্টিৰ প্ৰচাৰ তুংগত উঠিছে৷ তপন কুমাৰ গগৈৰ হৈ বিজেপিৰ প্ৰভাৱশালী নেতাই যোৰহাটত উবুৰি খাই পৰিছে৷ আনহাতে, কলিয়াবৰৰ সাংসদ গৌৰৱ গগৈয়ে যোৰহাট সমষ্টিৰ নেতা-কৰ্মীক লৈয়ে যোৰহাটত তীব্ৰ প্ৰচাৰ আৰম্ভ কৰিছে৷ আজি বিৰোধী ঐক্যমঞ্চৰ সমৰ্থিত কংগ্ৰেছ দলৰ প্ৰাৰ্থী গৌৰৱ গগৈয়ে দুদিনীয়া কাৰ্যসূচীৰে মাজুলীত উপস্থিত হয়৷ মাজুলীত দুখনকৈ সভাত অংশ গ্ৰহণ কৰি বিয়লি গড়মূৰ মিনি ষ্টেডিয়ামত এখন প্ৰীতি ক্ৰিকেট খেলত অংশ লয়। ক্ৰিকেট খেলত অংশ গ্ৰহণ কৰি সাংবাদিকৰ আগত নিৰ্বাচনক এক খেল বুলি উল্লেখ কৰি আমি খুব আনন্দৰে এই খেল পাৰ কৰি যাম বুলি কয় গৌৰৱ গগৈয়ে। ৰাইজে আমাক ইমান মৰম, ইমান আদৰণি জনাইছে, আমি কষ্ট কৰিব লাগিব, কিন্তু আমি অতি সহজতে নিৰ্বাচনত জয়ী হৈ যাম বুলি উল্লেখ কৰে আমাৰ কৰ্মী, স্থানীয় ল’ৰাবোৰৰ লগত যাতে আনন্দৰ বাতাবৰণ পাওঁ৷ খেলুৱৈসকলৰ সৈতে মতবিনিময় কৰাৰ বাবেই এই খেলত অংশ ললো৷ খেল এক গুৰুত্বপূৰ্ণ অংগ৷ বৰ্তমান ড্ৰাগছ আৰু এলকহলৰ যি সমস্যা হৈছে, এলকহলৰ সমস্যাৰ বাবে বিচ্ছেদৰ সমস্যাও বাঢ়ি গৈছে৷ আমি যদি ড্ৰাগছ আৰু এলকহলৰ পৰা বাচিব বিচাৰো তেনেহলে যুৱ প্ৰজন্মক খেলৰ লগতে উৎপাদনমুখী কামত লগাব লাগিব বুলি উল্লেখ কৰি আজি তাৰিখত আমি এইটো দেখা নাপাওঁ বুলি কয় গগৈয়ে৷ যুৱকক পইছা দি দিওঁ, বাইক দি দিওঁ, বস্তু খিনি সৎভাবে ব্যৱহাৰ হৈছেনে নাই সেইটো চোৱা নহয়। এইখন চৰকাৰৰ যুৱ প্ৰজন্মৰ বাবে কোনো পলিছি নাই৷ এইখন চৰকাৰৰ পইছা বিলোৱা, মদৰ দোকান চাৰিওফালে খোলাৰ বাহিৰে আৰু একো নাই বুলি সাংবাদিকৰ আগত মন্তব্য দিয়ে গৌৰৱ গগৈয়ে৷ লগতে কয় যে যুৱসকলক লগত লৈ কাম কৰি আছো৷ গৌৰৱ গগৈ বৰমুকলিৰ এখন জনসভাত অংশ গ্ৰহণ কৰি মাজুলীৰ চৰকাৰী বিদ্যালয়-মহাবিদ্যালয়সমূহৰ অৱস্থা শোচনীয় বুলি মন্তব্য কৰি কয় যে ইতিমধ্যে ইয়াৰে কেইবাখনো বিদ্যালয় বন্ধ কৰি দিয়া হৈছে। যাৰ ফলত ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত বিপদত পৰিছে। আন্তঃগাঁথনি উন্নয়ন আৰু উন্নীতকৰণত গুৰুত্ব দিয়াটো জৰুৰীভাৱে প্ৰয়োজন। বিদ্যালয়-মহাবিদ্যালয় বন্ধ কৰাটোৱেই ইয়াৰ সমাধান নহয়। বিশেষকৈ অনুসূচিত জনজাতি, অনুসূচিত জাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ অধিক জনসংখ্যা থকা অঞ্চলত বৰ্দ্ধিত পুঁজিৰ অনুদানৰ জৰিয়তে শিক্ষাৰ বাবে গুণগত আন্তঃগাঁথনি ব্যৱস্থাৰ কৰাৰ ক্ষেত্ৰত কংগ্ৰেছ প্ৰতিশ্ৰুতিবদ্ধ বুলি উল্লেখ কৰে গগৈয়ে।

# দুমুনিচকীত কৃষক সজাগতা সভা

**ই-সংবাদ, বাইহাটা চাৰিআলি, ১৯ মাৰ্চঃ** কৃষকৰ সুৰক্ষিত ভৱিষ্যত নিশ্চিত কৰাৰ তথা কৃষকৰ বিভিন্ন সমস্যা বুজ লোৱাৰ উদ্দেশ্য পূব কামৰূপ প্ৰগতিশীল এগ্ৰ’ ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানীৰ উদ্যোগত আজি এখন কৃষক সজাগতা সভা অনুষ্ঠিত হৈ যায়৷ কামৰূপ জিলাৰ কমলপুৰ সমষ্টিৰ দুমুনিচকী বাথানত অসম কৃষক পৰিষদৰ দৰং জিলা সমিতিৰ সভাপতি ফাইজুল হকৰ সঞ্চালনাত অনুষ্ঠিত সভাত কৃষকৰ বাবে বিনামূলীয়া বিমাকৰণ, প্ৰধান মন্ত্ৰী ফচল বীমা, কিষান সন্মান নিধি লাভ কৰা বাবে বিভিন্ন প্ৰক্ৰিয়া বিষয়ে আলোচনা কৰা হয়। একেদৰে পুনৰ অসম কৃষক পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতিৰ দায়িত্ব দিয়াৰ পিছত বিশিষ্ট সমাজকৰ্মী পৰেশ বৈশ্যক কৃষক সকলে আদৰণি আৰু অভিনন্দন জ্ঞাপন কৰে। উল্লেখ্য যে কৃষকসকলক লৈ ন ন পৰিকল্পনা কৰাৰ বাবে পুনৰ নিযুক্ত অসম কৃষক পৰিষদৰ সভাপতি পৰেশ বৈশ্যক ভূয়সী প্ৰশংসা কৰে কৃষকসকলে। চাৰি শতাধিক কৃষক উপস্থিত থকা সভাখনত সমাজকৰ্মী দিলীপ তালুকদাৰ, ধনটি কলিতা প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## ১৪খন দেশৰ লেখক সাহিত্যিকৰ অংশগ্ৰহণ

# ‘ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃৰাষ্ট্ৰীয় সাহিত্য মহোৎসৱ’ আৰম্ভ

**ই-সংবাদ, লাহোৱাল, ১৯ মাৰ্চঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উদ্যোগত আৰু গুৱাহাটীস্থিত সাহিত্য-সাংস্কৃতিক অনুষ্ঠান ‘ফ'কেল’ (Focal)ৰ সহযোগত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত আৰম্ভ হৈছে ‘ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃৰাষ্ট্ৰীয় সাহিত্য মহোৎসৱ, ২০২৪’। স্থানীয় ‘ৰংঘৰ প্ৰেক্ষাগৃহ’ত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত আদৰণি ভাষণেৰে এই মহোৎসৱৰ শুভাৰম্ভ কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰাধ্যাপক জিতেন হাজৰিকাই। আদৰণি ভাষণত উপাচাৰ্যগৰাকীয়ে কয়, “এই সাহিত্য মহোৎসৱত বিশ্বৰ ১৪ খন দেশৰ আগশাৰীৰ লেখক-সাহিত্যিকে অংশগ্ৰহণ কৰিছে। মুঠ ৩২ টা অনুষ্ঠানত তেখেতসকলে অংশগ্ৰহণ কৰি মনৰ ভাৱ প্ৰকাশ কৰিব। এই প্ৰয়াসে আমাৰ ছাত্ৰ সমাজক প্ৰভূত উপকাৰ সাধন কৰিব। সাহিত্য আৰু সংস্কৃতিৰ সাধনাই এটা জাতিক আগুৱাই যোৱাত ইন্ধন যোগায়। অসমীয়া সাহিত্যৰো এক সুদৃঢ় ইতিহাস আছে। মই আশা ৰাখিছোঁ ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃৰাষ্ট্ৰীয় সাহিত্য মহোৎসৱে নতুনৰ দুৱাৰ উন্মোচিত কৰাত আমাক সহায় কৰিব।” এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে জ্ঞানপীঠ বঁটাৰে বিভূষিত, সাহিত্য অকাডেমী বঁটাপ্ৰাপক কোংকণি আৰু ইংৰাজী ভাষাৰ অন্যতম প্ৰতিথযশা সাহিত্যিক দামোদৰ মাউজো। ভাষণ প্ৰসংগত সাহিত্যিকগৰাকীয়ে কয়, “পঠনে সাহিত্যৰ প্ৰসাৰত ইন্ধন যোগায়। পঠনে পঢ়ুৱৈ আৰু লেখকৰ মাজত সংযোগ সাধনৰ মাধ্যম  হিচাপে থিয় দিয়ে। এখন ঠাই ভ্ৰমণ কৰিবলৈ গ'লে আমি সেই ঠাইখনৰ কেৱল নৈসৰ্গিক শোভাহে দেখা পাওঁ। সেই ঠাইৰ সাহিত্য অধ্যয়ন কৰিলে আমি ঠাইখনৰ মানুহৰ মনন-চিন্তন আৰু সাংস্কৃতিক কালিকাৰ সৈতে সুগভীৰ পৰিচয় লাভ কৰিবলৈ সক্ষম হওঁ। সাহিত্যই ভাষিক সীমনা অতিক্ৰম কৰি গৈ বিশ্ব ভাতৃত্ববোধ গঠনত সহায় কৰে। তদুপৰি, একমাত্ৰ সাহিত্যইহে নতুন প্ৰজন্মৰ মননক গভীৰভাৱে প্ৰভাৱিত কৰিব পাৰে। তাৰ বাবে লেখক-সাহিত্যিক সকলে নিজকে আৰ্থিক সহযোগিতাযুঁজাৰুৰ ভূমিকাত অধিস্থিত কৰিব পাৰিব লাগিব। সাহিত্যই প্ৰেম আৰু কৰুণাৰ বাৰ্তা বহন কৰিব লাগিব।” এই সাহিত্য মহোৎসৱৰ সৈতে সংগতি ৰাখি ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু ইয়াৰ অন্তৰ্গত মহাবিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ল'গ' ডিজাইনিঙৰ এক প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। এই প্ৰতিযোগিতাত শ্ৰেষ্ঠ প্ৰতিযোগী হিচাপে নিৰ্বাচিত হোৱা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কম্পিউতাৰ বিজ্ঞান আৰু অধ্যয়ন কেন্দ্ৰৰ দ্বিতীয় ষান্মাসিকৰ ছাত্ৰ পল্লৱ কলিতাক ৫০০০ টকা আৰু মানপত্ৰেৰে পুৰস্কৃত কৰা হয়। উল্লেখ্য যে এই আদৰণি অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সকলো বিভাগৰ শিক্ষক,অৱসৰপ্ৰাপ্ত শিক্ষক, মহাবিদ্যালয় সমূহৰ একাংশ অধ্যক্ষ, গৱেষক,  ছাত্ৰ ছাত্ৰী, সাহিত্যানুৰাগী আৰু লেখক-সাংবাদিক  উপস্থিত থাকে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° পৰমানন্দ সোনোৱালে জনোৱা অনুসৰি এই সাহিত্য মহোৎসৱত ভাৰতসহ বিশ্বৰ ১৪ খন দেশৰ আগশাৰীৰ লেখক-সাহিত্যিকে অংশগ্ৰহণ কৰিছে। এই মহোৎসৱত ভাগ লোৱা অসমৰ সাহিত্যিকসকলৰ ভিতৰত আছে অনুৰাধা শৰ্মা পূজাৰী, অৰিন্দম বৰকটকী, অৰূপ কুমাৰ দত্ত, অৰূপজ্যোতি শইকীয়া, ধ্ৰুৱ হাজৰিকা, ডাঃ অৰূপ কুমাৰ শইকীয়া, জয়ন্ত নাৰায়ণ চৌধুৰী, জীৱন নৰহ, জুৰি বৰা বৰগোহাঞি, অংকুশ শইকীয়া, মৃদুল বৰদলৈ, ড° নম্ৰতা পাঠক, ডাঃ নিৰ্মল কুমাৰ চাহেৱালা, নীলিমা ঠাকুৰীয়া হক, পল্লৱী ডেকা বুজৰবৰুৱা, প্ৰহ্লাদে চন্দ্ৰ তাছা আৰু সঞ্জীৱ পল ডেকা। স্মৰ্তব্য যে, অহা ২১ আগষ্টত বিয়লি ২ বজাৰ পৰা স্থানীয় ‘ৰংঘৰ প্ৰেক্ষাগৃহ’ত এই সাহিত্য মহোৎসৱৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত হ'ব। উল্লেখ্য যে আজিৰ অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰে চলচিত্ৰ নিৰ্মাতা জাহ্নু বৰুৱাই। নিজৰ ভাষণত তেওঁ শৈশৱকালতে দেখা গাঁৱৰ গ্ৰন্থাগাৰটোৰ কথা উল্লেখ কৰে। এই গ্ৰন্থাগাৰটোৱে তেওঁৰ মননত গভীৰভাৱে ৰেখাপাত কৰিছিল আৰু কিবা এটা কৰিবলৈ উৎসাহিত কৰিছিল বুলিও কয়। তেঁও কয়, "পঢ়া-শুনা শেষ কৰাৰ পিছত আগলৈ কি কৰিম তাক লৈ মই বিবুধিত পৰিছিলোঁ। এনেতে এদিন দেউতাই কাষতে বহুৱাই লৈ মোক ক'লে যে মানুহৰ সন্মুখত দুটা পথ খোলা থাকে। এটা হৈছে সৃষ্টিৰ আৰু আনটো ধ্বংসৰ। সাহিত্য আৰু ক'লা-সংস্কৃতিয়ে হাতত হাত ধৰি আগবাঢ়ে। মই আশাবাদী যে এই সাহিত্য মহোৎসৱে এক নতুন ধাৰা উন্মোচিত কৰিব।”

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# ভোমোলাহাটী-গোগ-ক্ষুদ্ৰপলহা মহিলা সমিতিৰ প্ৰশংসনীয় পদক্ষেপ

**ই-সংবাদ, বাইহাটা চাৰিআলি, ১৯ মাৰ্চঃ** বোৱাৰীয়েকৰদ্বাৰা সংঘটিত শাহু নিৰ্যাতন ঘটনাৰ বিৰুদ্ধে ভোমোলাহাটী-গোগ-ক্ষুদ্ৰপলহা আঞ্চলিক মহিলা সমিতিয়ে এক প্ৰশংসনীয় পদক্ষেপ গ্ৰহণ কৰিছে৷ প্ৰাপ্ত বাতৰি অনুসৰি, কামৰূপ জিলাৰ বাইহাটা চাৰিআলি থানাৰ অন্তৰ্গত ভোমোলাহাটী গাঁৱৰ খোদেজা বেগম নামৰ বয়োজ্যেষ্ঠ মহিলাগৰাকীক তেওঁৰ বোৱাৰী মমী বেগমে অকথ্য নিৰ্যাতন চলাই অহা বুলি মহিলা সমিতিৰ ওচৰত অভিযোগ দাখিল কৰিছিল খোদেজা বেগমে৷ এই অভিযোগৰ ওপৰত ভিত্তি কৰি বিষয় সন্দৰ্ভত আঞ্চলিক মহিলা সমিতিখনে অলপতে ভুক্তভোগী খোদেজা বেগমৰ চোতালত এখন বিচাৰসভা অনুষ্ঠিত কৰে৷ ভোমোলাহাটী-গোগ-ক্ষুদ্ৰপলহা আঞ্চলিক মহিলা সমিতিৰ সভানেত্ৰী ৰচিদা চৌধুৰীৰ পৌৰহিত্যত অনুষ্ঠিত উক্ত বিচাৰ সভাত বোৱাৰী মমী বেগমক দোষী সাব্যস্ত কৰি ভৱিষ্যতে তেনে কৰ্মৰপৰা বিৰত থাকিবলৈ মহিলা সমিতিখনে আহ্বান জনায়৷ অন্যথা মমী বেগমৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণ কৰা হব বুলিও মহিলা সমিতিখনে সকীয়াই দিয়ে৷ ইয়াৰ পিছতে সভাত মহিলা সমিতিখনৰ সম্পাদিকা নীলিমা বেগম প্ৰমুখ্যে ভোমোলাহাটী-গোগ-ক্ষুদ্ৰপলহা আঞ্চলিক মহিলা সমিতিৰ সদস্যসকলৰ উপস্থিতিত বোৱাৰী মমী বেগমে শাহুৰেক খোদেজা বেগমৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰে আৰু ভৱিষ্যতে তেনে গৰ্হিত কাম নকৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰাত বিষয়টো সিমানতে যৱনিকা পৰে৷ ভোমোলাহাটী-গোগ-ক্ষুদ্ৰপলহা আঞ্চলিক মহিলা সমিতিৰ নেতৃত্বই অৱগত কৰামতে শাহু-বোৱাৰীৰ ঘৰুৱা কন্দল সমূহ থানা-আদালতত নোযোৱাকৈ সমাধান কৰাটোৱে তেওঁলোকৰ মুখ্য উদ্দেশ্য৷ ভোমোলাহাটী-গোগ-ক্ষুদ্ৰপলহা আঞ্চলিক মহিলা সমিতিৰ এনে পদক্ষেপক প্ৰশংসা কৰিছে সচেতন ৰাইজে।ইফালে “জীয়া শিল” উপন্যাসখনৰ কেইবাটাও উল্লেখযোগ্য অংশ পাঠ কৰি তেওঁৰ মন চুই যোৱা দিশসমূহৰ অৱলোকন কৰে। গ্ৰন্থ উন্মোচনী অনুষ্ঠানটোৰ অন্যতম উন্মোচক উৎপল দত্তই সদ্য উন্মোচিত “জীয়া শিল” উপন্যাসত এক সাঙ্গীতিক মূৰ্চনা প্ৰতিফলিত হোৱা বুলি মন্তব্য কৰি

# শ্ৰী প্ৰাণনাথজী মন্দিৰৰ নৱ-নিৰ্মিত ভৱন উদ্বোধন

**ই-সংবাদ, শুক্লাই, ১৯ মাৰ্চঃ** আধ্যাত্মিক পৰিবেশ বুৰ গ'ল ওদালগুৰিৰ শুক্লাইবাসী৷ ওদালগুৰিৰ শুক্লাইত নিজানন্দ আশ্ৰম আৰু শ্ৰী প্ৰাণনাথ জী মন্দিৰৰ উদ্বোধনী কাৰ্যসূচীত দেখা গ'ল আধ্যাত্মিক পৰিবেশ৷ মাংগলিক পৰম্পৰাৰে আজি শ্ৰী প্ৰাণনাথ জী মন্দিৰৰ দ্বাৰা উদঘাটন কৰে সুদূৰ উত্তৰ প্ৰদেশৰ পৰা অহা ধৰ্মগুৰু শ্ৰী ৰাজন স্বামীয়ে৷ সমাজৰ পৰা কু-সংস্কাৰ অনীতি দূৰ কৰি ধৰ্ম আৰু আধ্যাত্মিকতাৰ জৰিয়তে এখন সুস্থ সমাজ গঢ় দিয়া আৰু ভৱিষ্যত প্ৰজন্মক সংস্কাৰৰ জৰিয়তে সুস্থ আৰু আদৰ্শবান নাগৰিক হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে শুক্লাইৰ কল্পনা শৰ্মাৰ প্ৰচেষ্টাত শুক্লাইত গঢ়ি তোলা হৈছে নিজানন্দ আশ্ৰম আৰু মন্দিৰ৷ নিজানন্দ সম্প্ৰদায়ৰ নিজানন্দ জাগনি সমিতিয়ে পৰিচালনা কৰিবলগীয়া আশ্ৰম আৰু মন্দিৰৰ আজি উদ্বোধনী অনুস্থানত ধৰ্মৰ জৰিয়তে ভ্ৰাতৃত্ববোধ গঢ় দিয়াৰ লক্ষ্যৰে আজিৰে পৰা তিনিদিনীয়া বৰ্ণাঢ্য ধৰ্মালোচনা অনুষ্ঠিত হ'ব বুলি জানিবলৈ দিছে উদ্যোক্তা কল্পনা শৰ্মাৰ লগতে শ্ৰী নিজানন্দ আশ্ৰম সমিতিয়ে৷

# অভিজিত মজুমদাৰক তৃণমূল কংগ্ৰেছৰ পৰা বহিষ্কাৰ

**ই-সংবাদ, ১৯মাৰ্চঃ** তৃণমূল কংগ্ৰেছৰ অসম ৰাজ্যিক সমিতিত আৰম্ভ হৈছে বিসম্বাদ৷ বিসম্বাদ নিৰায়মৰ বাবে আজি কঠোৰ সিদ্ধান্ত লৈছে অসম ৰাজ্যিক তৃণমূল কংগ্ৰেছে৷ লোকসভা নিৰ্বাচনী প্ৰচাৰৰ মাজতে বিগত কেইবাটাও দিন ধৰি দল বিৰোধী মন্তব্য দি অহা অসম তৃণমূল কংগ্ৰেছৰ সাধাৰণ সম্পাদক অভিজিত মজুমদাৰক দলটোৱে বহিষ্কাৰ কৰাৰ ঘোষণা কৰিছে৷ দল বিৰোধীকাৰ্যকলাপত জড়িত থকাৰ অভিযোগ উত্থাপন কৰি দলটোৱে অভিজিত মজুমদাৰক বহিষ্কাৰ কৰা বুলি জানিবলৈ দিয়ে৷ সাধাৰণ সম্পাদকগৰাকীয়ে দলৰ স্বাৰ্থত ক্ষতি হ'ব পৰা কাৰ্যত লিপ্ত থকাৰ অভিযোগৰ ভিত্তিত ৰিপুন বৰাৰ নিৰ্দেশনাত বৰ্খাস্ত কৰিছে৷ অসম তৃণমূল কংগ্ৰেছে কয় যে অভিজিত মজুমদাৰে দলটোক বদনাম হ'ব পৰা কাৰ্যত জড়িত হৈছে৷ মজুমদাৰৰ মন্তব্যও দল বিৰোধী৷ মজুমদাৰে দিয়া মন্তব্য দলৰ নাছিল আৰু সেই মন্তব্যসমূহে দলৰ ক্ষতি কৰিব পাৰে বুলিও কয় দলটোৱে৷



# জাবেদৰ বাবে ধুবুৰীলৈ যাব মুখ্যমন্ত্ৰী

**ই-সংবাদ, ১৯ মাৰ্চঃ** সময়ে সময়ে মিঞাৰ ভোট নালাগে বুলি সদম্ভে ঘোষণা কৰি আহিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই৷ মিঞাৰ বিৰুদ্ধে বিভিন্ন সময়ত কটু মন্তব্য প্ৰদান কৰি আহিছে মুখ্যমন্ত্ৰীগৰাকীয়ে৷ এতিয়া প্ৰশ্ন হৈছে মিঞাৰ ভোট খুজিবলৈ ধুবুৰীলৈ জিলালৈ যাব নে নাই মুখ্যমন্ত্ৰী৷ ধুবুৰী সমষ্টিত বিজেপিৰ প্ৰাৰ্থী নাই যদিও সমষ্টিটো সহযোগী দল অগপক এৰি দিছে বিজেপিয়ে৷ যাৰ বাবে মুখ্যমন্ত্ৰীহিমন্ত বিশ্ব শৰ্মাই অগপৰ প্ৰাৰ্থীৰ হকে প্ৰচাৰ চলাবলৈ ধুবুৰীলৈ যাব নে নাই তাকে লৈ চৰ্চা চলিছে৷ অগপৰ প্ৰাৰ্থী জাবেদ ইছলামক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ঘনিষ্ঠ বুলি জনা যায়৷ আজি মুখ্যমন্ত্ৰী ধুবুৰীলৈ আহিব নে নাই এই কথাৰ স্পষ্টিকৰণ দিলে ইছলামে৷ জাবেদ ইছলামে কিন্তু মুখ্যমন্ত্ৰীক এৰি নিদিও বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে ধুবুৰী-মানকাচৰত আহিবই বুলি দাবী কৰিছে। জিদ কৰি হলেও মুখ্যমন্ত্ৰীক ধুবুৰীত প্ৰচাৰ চলিবলৈ আনিম বুলি কয় জাবেদ ইছলামে৷ মানকাচৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক জাবেদ ইছলামে নিতৌ সভা-সমিতি অনুষ্ঠিত কৰি গৈছে৷ আজি হাটশিঙিমাৰীত অগপ আৰু বিজেপিৰ নেতা-কৰ্মীক সাক্ষাৎ কৰি জাবেদ ইছলামে সংখ্যালঘুক নিৰ্বাচনত অগপক ভোট দিয়াৰ আহ্বান জনায়৷

# ৰহাত অংগনৱাড়ী কৰ্মী-সহায়িকাৰ প্ৰতিবাদ

**ই-সংবাদ, ৰহা, ১৯মাৰ্চঃ** লোকসভা নিৰ্বাচনত ব্যস্ত ৰাজ্যৰ শাসক পক্ষ৷ ৰাজ্য চৰকাৰৰ অস্থায়ী কৰ্মচাৰীসকলে কৰি অহা প্ৰতিবাদ-দাবীক গুৰুত্ব দিবলৈ সময় নাই চৰকাৰৰ৷ ফলত লোকসভা নিৰ্বাচনৰ প্ৰচাৰ ব্যাপক হাৰত চলি থকাৰ সময়তে প্ৰতিবাদ কৰিবলৈ বাধ্য হৈছে শ-শ মহিলাই৷ তাৰ মাজতে আজি অংগনৱাড়ী কৰ্মী-সহায়িকাই প্ৰতিবাদ সাব্যস্ত কৰে৷ নগাঁও জিলাৰ ৰহা সংহত শিশু উন্নয়ন প্ৰকল্পত অংগনৱাড়ী কৰ্মী-সহায়িকাসকলে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে৷ হাতে হাতে বেনাৰ-পোষ্টাৰ লৈ আমাৰ দাবী মানি লওক, বিজেপি চৰকাৰ হায়ঃ হায়ঃ, চাকৰি নিয়মীয়া কৰক, মাননি নহয় দৰমহা দিয়ক আদি ধ্বনিৰে উত্তাল কৰি তোলে পৰিবেশ৷ হাতে হাতে বেনাৰ-ফেষ্টুন, প্লেকাৰ্ড লৈ অংগনৱাড়ী কৰ্মী-সহায়িকাই ৰহা সংহত শিশু উন্নয়ন প্ৰকল্পত উত্তাল কৰি তোলে৷ অংগনৱাড়ী কৰ্মী-সহায়িকাসকলে ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মালৈ কেইবাটাও দাবী সম্বলিত স্মাৰক পত্ৰ প্ৰদান কৰে৷ অংগনৱাড়ী কৰ্মী-সহায়িকাসকলে তেওঁলোকক চৰকাৰে বিভিন্ন কামত নিয়োগ কৰি আহিছে যদিও মজুৰি বৃদ্ধি কৰা নাই৷ দাবী মানি ন'ললে আন্দোলন অব্যাহত ৰখাৰো হুংকাৰ দিয়ে কৰ্মী-সহায়িকাসকলে।

# অসমত ১৩খন আসনত এনডিএ জয়ী হ'বই



**ই-সংবাদ, কোকৰাঝাৰ, ১৯ মাৰ্চঃ** কোকৰাঝাৰৰ বডোফা নগৰস্থিত এনডিএৰ নিৰ্বাচনী কাৰ্যালয়ত আজি বিজেপিৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতা উপস্থিত হৈ ইউপিপিএল, বিজেপি আৰু অগপৰ দলীয় কাৰ্যকৰ্তাৰ সতে এক বৈঠকত মিলিত হয়। ইউপিপিএল দলৰ সভাপতি তথা বিটিচি প্ৰধান প্ৰমোদ বড়ো, ১নং কোকৰাঝাৰ লোকসভা সমষ্টিৰ এনডিএৰ নিৰ্বাচনী পৰিচালনা সমিতিৰ অধ্যক্ষ হেমেন্দ্ৰ নাথ ব্ৰহ্ম, মুখ্য আহ্বায়ক গৌতম দাস আদিকে ধৰি তিনিওদলৰ কাৰ্যকৰ্তাৰ উপস্থিতিত এক ৰুদ্ধদ্বাৰ বৈঠকত মিলিত হয় ভৱেশ কলিতা। মূলত কোকৰাঝাৰ লোকসভা সমষ্টিৰ নিৰ্বাচনী যুঁজত কিদৰে জয়লাভ কৰিব পৰা যাব তাৰ ওপৰত আলোচনা কৰাৰ লগতে নিৰ্বাচনকেন্দ্ৰিক আন আন আলোচনাও বৈঠকত সম্পন্ন হয়। ইপিনে বৈঠকৰ অন্তত বিজেপিৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতাই সংবাদমাধ্যমৰ আগত অসমৰ ১৪ খন আসনৰ ভিতৰত ১৩ খন আসনেই এনডিএই লাভ কৰিব বুলি দাবী কৰিছে। ১ নং কোকৰাঝাৰ লোকসভা সমষ্টিত এনডিএ এক নম্বৰ হিচাপেই থাকিব বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰিছে ভৱেশ কলিতাই। বড়ো-অবড়োৰ কথা পতাটোৱেই ভুল, সৰ্বপ্ৰথম আমি মানুহ আৰু আমি মানৱীয় দৃষ্টিভংগীহে গ্ৰহণ কৰো বুলি মন্তব্যৰে ভৱেশ কলিতাই শান্তি, উন্নয়নৰ স্বাৰ্থতে কোকৰাঝাৰ লোকসভা সমষ্টিৰ ভোটাৰে এনডিএৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীক ভোট দিব আৰু কমেও দুই লাখ ভোটৰ ব্যৱধানত জয়ন্ত বসুমতাৰী জিকিব বুলি মন্তব্য কৰিছে বিজেপিৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতাই।

# শেষ পৃষ্ঠা

## আই পি এলত স্মাৰ্ট ৰিপ্লে

**মুম্বাই, ১৯ মাৰ্চঃ** এইবাৰ আই পি এলত স্মাৰ্ট ৰিপ্লে ব্যৱস্থা প্ৰৱৰ্তন কৰা হ'ব। ইয়াৰ বাবে টি ভি আম্পায়াৰে দুজন হ'ক-আই অপাৰেটৰ পৰা প্ৰত্যক্ষভাৱে তথ্য লাভ কৰিব। উল্লেখ্য যে সেই দুইজন হ'ক-আই অপাৰেটৰ তৃতীয় আম্পায়াৰৰ লগত একেটা কক্ষতে থাকিব। ইফালে তৃতীয় আম্পায়াৰৰ সিদ্ধান্ত অধিক নিকা কৰাৰ বাবে গোটেই খেল পথাৰত আঠটা হাই-স্পীড কেমাৰা লগোৱা হ'ব। ইয়াৰ ফলত আম্পায়াৰৰ সিদ্ধান্তকলৈ সৃষ্টি হোৱা বিতৰ্কৰ অৱসান হ'ব বুলি ধাৰণা কৰা হৈছে। ইয়াৰ লগে লগে ফিল্ড আম্পায়াৰৰ গুৰুত্ব কমি আহিব বুলিও শংকা প্ৰকাশ কৰা হৈছে।

## বিলিয়াৰ্ড হ'ল অব্ ফেমত পংকজ আদৱানী



**নতুন দিল্লী, ১৯ মাৰ্চঃ** ভাৰতৰ তাৰকা খেলুৱৈ পংকজ আদৱানীক বিলিয়াৰ্ড হ'ল অব্ ফেমত অন্তৰ্ভুক্ত কৰা হৈছে। চীনৰ ছাংগ্ৰাও চহৰত অৱস্থিত বিশ্ব বিলিয়াৰ্ড যাদুঘৰত তেওঁ স্থান পাবলৈ সক্ষম হয়। বিলিয়িৰ্ড আৰু স্নু'কাৰৰ কিম্বদন্তি আদৱানীয়ে এতিয়ালৈ আন্তঃৰাষ্ট্ৰীয় বিলিয়াৰ্ড আৰু স্নু'কাৰ ফেডাৰেচনৰ অধিনত ২৬ টা খিতাপ জয় কৰিছে। ইয়াৰ বাবেই এই সন্মান প্ৰদান কৰা হৈছিল তেওঁক। মাত্ৰ ৩৮ বছৰ বয়সতে এই বিৰল সন্মান লাভ কৰি আদৱানী অভিভূত হৈ পৰিছে। ইয়াৰ বাবে তেওঁ আন্তঃৰাষ্ট্ৰীয় বিলিয়াৰ্ড আৰু স্নু'কাৰ ফেডাৰেচনৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰিছে।












newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮ | বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান